**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-02-2026 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

---------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে কাইলৈ অসম আগমন।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ওদালগুৰিত ৰঙিয়া-ৰাঙাপাৰা ৰে'লপথৰ উৰণ সেতুৰ আধাৰশিলা স্থাপন।

৩। নৱম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰাপকসকলৰ নাম ঘোষণা। *আৰু*

৪। আজি বিশ্ব ৰেডিঅ' দিৱস। গুৱাহাটীৰ বিবেকানন্দ কেন্দ্ৰত আকাশবাণী গুৱাহাটীৰ বিশেষ অনুষ্ঠান।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে কাইলৈ অসমলৈ আহিব। শ্ৰীমোদীয়ে মৰাণত জৰুৰীকালীন উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। প্ৰায় ১০০ কোটি টকা ব্যয়সাপেক্ষে এই অত্যাধুনিক জৰুৰীকালীন অৱতৰণক্ষেত্ৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। শ্ৰী মোদীয়ে প্ৰথমে চাবুৱাস্থিত বায়ুসেনা ঘাটিত উপস্থিত হ'ব আৰু তাৰ পৰা মৰাণলৈ যাব। এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰখন বায়ুসেনাৰ কাৰণে কৌশলগত বিষয়ত বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। যুদ্ধ অথবা যিকোনো জৰুৰীকালীন অৱস্থাত পৰম্পৰাগত বিমান বন্দৰসমূহ অচল হৈ পৰিলে এই বিকল্প অৱতৰণ ক্ষেত্ৰ সেনাবাহিনীৰ বাবে ফলপ্ৰসূ হ'ব। ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ উত্তৰ-পূবৰ এই প্ৰথমখন জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত কাইলৈ ছুখয়-থাৰ্টি, ৰাফেল, তেজছ যুঁজাৰু বিমানৰ লগতে হাৰ্কিউলিছ আৰু এণ্টন'ভ এ এন থাৰ্টি-টু পৰিবহণ বিমানে অৱতৰণ আৰু উৰণ কৌশল প্ৰদৰ্শন কৰিব।

মৰাণৰ অনুষ্ঠান সামৰি প্ৰধানমন্ত্ৰীগৰাকী গুৱাহাটীলৈ আহিব আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতুখন মুকলি কৰিব। ৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে এই ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলংখন নিৰ্মাণ কৰি উলিওৱা হৈছে। এই দলংখনে উত্তৰ-গুৱাহাটীত থকা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান তথা সাংস্কৃতিক স্থানসমূহলৈ যাতায়াত সুচল কৰি তোলাৰ লগতে উত্তৰ গুৱাহাটীক মহানগৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। কাইলৈ লাচিত ঘাটত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকিব।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ওদালগুৰিত ৰঙিয়া-ৰাঙাপাৰা ৰে'লপথৰ ওপৰত নিৰ্মাণ হ'বলগীয়া উৰণ সেতুৰ আধাৰশিলা স্থাপন কৰে। ৬৪ কোটি টকা ব্যয় হ'বলগীয়া এই উৰণ সেতুৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে তীব্ৰ যান-যঁটৰ পৰা ৰাইজে সকাহ লাভ কৰিব। তেওঁ সাপকাটিৰ ২৫ বিঘা মাটিত ১৫০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া বি টি চিৰ মিনি সচিবালয়ৰো আধাৰশিলা স্থাপন কৰে। জিলাখনৰ কলাইগাঁও ৰণথলী ষ্টেডিয়ামত অনুষ্ঠিত ৰাজহুৱা সভাত মুখ্যমন্ত্ৰীগৰাকীয়ে ২৬ হাজাৰ ৯৮৮গৰাকী মহিলাক মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰে। ইয়াৰ উপৰি জিলাখনৰ টংলা নগৰত ৩৬ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ সম্পূৰ্ণ কৰা দুটা পানী যোগান প্ৰকল্প আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি বি টি চি অঞ্চলৰ জনসাধাৰণক শুভেচ্ছা জনোৱাৰ লগতে নিৰ্বাচনী অধিসূচনা জাৰি সন্দৰ্ভত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়-

**-বাইট-(চি এম)**

অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, চৰণ বড়ো, বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী, উপ-কাৰ্যবাহী সদস্য ৰিহণ দৈমাৰীকে ধৰি বি টি চিৰ ভালেসংখ্যক নেতা তথা সদস্য উপস্থিত থাকে।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বি টি চি প্ৰধান হাগ্ৰামা মহিলাৰীৰ সৈতে কোকৰাঝাৰৰ গোসাইগাঁও উপ-সংমণ্ডলৰ সোণকোচ খেৰাইত অনুষ্ঠিত পৱিত্ৰ বাথৌ খেৰাই পূজাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ঐতিহ্য মণ্ডিত সোণকোচ খেৰাই চৌহদ উন্নীতকৰণৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে আধাৰশিলা স্থাপন কৰে।

০০০০০০

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি নৱম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰাপকসকলৰ নাম প্ৰকাশ কৰে। টিংখাঙত মন্ত্ৰী বিমল বৰাই সংবাদমেলযোগে ২০২০-২১ বৰ্ষত ৰাজ্যিক চলচ্চিত্ৰ বঁটা লাভ কৰা সাংস্কৃতিক কৰ্মী আৰু চলচ্চিত্ৰৰ নামসমূহ ঘোষণা কৰে। নৱম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটাত (বেলকনিত ভগৱান ছবিখনক ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা আৰু ছবিখনৰ পৰিচালক বিশ্বজিৎ বৰাই ব্ৰজেন বৰা শ্ৰেষ্ঠ পৰিচালক বঁটা লাভ কৰে। ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা লাভ কৰে **শব্দ নিশব্দ ক'লাহল** ছবিখনে। ধনজিৎ দাসে ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। শংকু ৰাজকোঁৱৰ আৰু জুবলি বৰুৱাই ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীৰ বঁটা লাভ কৰে। ৰাজদ্বীপে ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ গীতিকাৰৰ বঁটা লাভ কৰে। ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ অভিনেতাৰ বঁটা হৰিশ খান্না আৰু শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা মন্দাকিনী গোস্বামীয়ে লাভ কৰে। অহা ২৫ ফেব্ৰুৱাৰীত কলাক্ষেত্ৰত অনুষ্ঠিত গাম্ভিৰ্য্যপূৰ্ণ অনুষ্ঠানত চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। এই সংবাদমেলত অসম চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগমৰ অধ্যক্ষ সীমান্ত শেখৰ উপস্থিত থাকে।

বাইট - বিমল বৰা

০০০০০০

আজি বিশ্ব ৰেডিঅ' দিৱস। এইবছৰৰ বিশ্ব ৰেডিঅ' দিৱসৰ মূল বিষয়বস্তু হৈছে- কৃত্ৰিম বুদ্ধিমত্তা আৰু ৰেডিঅ'। বিশ্ব ৰেডিঅ' দিৱসত এইবছৰ কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ ফলত অনাতাঁৰ প্ৰচাৰণৰ ক্ষেত্ৰত আহি পৰা সুবিধা আৰু প্ৰত্যাহবান সন্দৰ্ভত আলোচনা কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশ্ব ৰেডিঅ' দিৱস উপলক্ষে শুভেচ্ছা জনাইছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত  ৰেডিঅ'ৰ সৈতে শৈশৱৰ পৰা থকা স্মৃতি ৰোমন্থন কৰে।

এই দিৱসৰ সৈতে সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজিৰেপৰাই পডকাষ্ট আৰম্ভ কৰিছে। এই পডকাষ্টত কেন্দ্ৰটোৰ মুৰব্বী, অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালক প্ৰধান ৰবীন চন্দ্ৰ বড়ো আৰু সীমান্ত বাৰ্মাই অংশ লয়।

আজি বিয়লি আকাশবাণী গুৱাহাটী কেন্দ্ৰই উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰত এখন মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰে। ৰেডিঅ' দিৱসৰ  লগত সংগতি ৰাখি ৰেডিঅ' আৰু কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষক বক্তৃতানুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ তথ্য প্ৰযুক্তি বিভাগৰ অধ্যাপক ড° ৰূপম ভট্টাচাৰ্য্যই অংশগ্ৰহণ কৰিছে।

০০০০০০

গোৱালপাৰা জিলাতো আজি বিশ্ব ৰেডিঅ' দিৱস পালন কৰা হয়। গোৱালপাৰা মহাবিদ্যালয়ৰ সামূহিক অনাতাঁৰ কেন্দ্ৰ ৰেডিঅ' গোৱালপাৰা ৮৯দশমিক ৬ এফ এমৰ উদ্যোগত বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত বিশ্ব ৰেডিঅ' দিৱসৰ অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ সুভাষ বৰ্মনে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়খনৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু শিক্ষাৰ্থী উপস্থিত থকা এই অনুষ্ঠানত অধ্যক্ষগৰাকীয়ে গণ সংযোগৰ মাধ্যম হিচাপে ৰেডিঅ'ই গ্ৰহণ কৰা ঐতিহাসিক ভূমিকাৰ কথা উল্লেখ কৰে।

০০০০০০

**সমাপ্ত**